চুটিগল্পৰ সংজ্ঞা আৰু বৈশিষ্ট্য

চুটিগল্প এবিধ সংক্ষিপ্ত স্বঃতসম্পূৰ্ণ আৰ্ট।বৰ্তমান যুগত সাহিত্যৰ বিভিন্ন অংগৰ ভিতৰত সবাতোকৈ সমৃদ্ধিশালী হ'ল চুটিগল্প ।আধুনিক যুগত ই বিশেষ প্ৰাচুৰ্য্য লাভ কৰিছে।চুটিগল্প একান্ত ভাৱে আধুনিক যুগৰ বস্তু নহয়।প্ৰাচীন কালতো ভিন্ন নামত ইয়াৰ প্ৰচলন আছিল।ইটালী সাহিত্যৰ "Gesta Romanaram " বোক্কাচিওৰ "Decameron"ছ'চাৰৰ 'Canterbury Tales' আৰু অন্যান্য সাধু,ঈছপৰ সাধু 'সংস্কৃতৰ 'হিতোপদেশ' , 'পঞ্চতন্ত্ৰ ' , ' কথাসৰিৎ সাগৰ' আৰু বৌদ্ধ জাতকৰ সাধুবোৰত চুটিগল্পৰ বিভিন্ন উপাদানৰ নিদৰ্শন পোৱা যায়।লক্ষ্মীনাথ বেজবৰুৱা দেৱে সাধুকথা আৰু চুটিগল্পৰ মাজত সীমাৰেখা টানিবলৈ যত্ন কৰা নাছিল।

চুটিগল্পৰ সৰ্বজনগ্ৰাহ্য সংজ্ঞা এটা আজিলৈকে কোনেও দিব পৰা নাই।তাৰ কাৰণ ইয়াৰ বিকাশ এতিয়াও হৈয়ে আছে।অৱশ্যে ইয়াক একোটি বৰ্ণনাৰে বুজাবলৈ নানাজনে চেষ্টা কৰিছে।এড্ গাৰ এলেন পোৱে কৈছে 'A short story is a prose narrative requiring from half an hour to one or two hours in its perusal ". এইচ জি ওৱেলছে আকৌ এটা গল্প পঢ়িবলৈ দহ মিনিটৰ ভিতৰত শেষ হোৱা বাঞ্চনীয় বুলি কৈছে ।এনচাইক্লোপিডিয়া ব্ৰিটেনিকাই চুটিগল্পৰ সংজ্ঞা এই বুলি দিছে "A kind of prose fiction distinguished from the novel and the novellete by its compression and intensity ." অৰ্থাৎ ই এবিধ গদ্যকাহিনী যাক তাৰ চুম্বকত্ব আৰু গভীৰতাই উপন্যাস আৰু ঔপন্যাসিকতাৰ পৰা পৃথক কৰি ৰাখিছিল ।তদুপৰি একেখন বিশ্বকোষতে কোৱা হৈছে যে চুটিগল্প গীতিকবিতা ,নাটক ৰচনা আৰু সামাজিক বুৰঞ্জীৰ লক্ষণো কিছু কিছু নিহিত হৈ থাকে।সেই কাৰণেই আমি একো একোটা সাৰ্থক গল্পত কবিতাৰ উপযোগী চিন্তা আৰু অনুভূতি নাটকীয় গুণ ,ৰচনাকাল বৰ্ণনাত্মক আৰু একোখন সমাজৰ আভাস ফুটি উঠা দেখিবলৈ পাওঁ ।চমাৰছেট মমে চুটিগল্পৰ সংজ্ঞা দিছে এনেদৰে ,"একোটা বৈঠকতে পঢ়ি শেষ কৰিব পৰা ৰচনাই চুটিগল্প ।"

####চুটিগল্পৰ বৈশিষ্ট্য###

#১)চুটিগল্পৰ কাহিনী আৰু দ্বন্দ্ব - চুটিগল্পত একোটা কাহিনী থাকে।গল্পটোৰ অন্যান্য উপাদানৰ ভিতৰত কাহিনীৰ মূল্যই সৰ্বাধিক।গল্পটো পঢ়াৰ লগে লগে ঘটনাৰ পৰিণতি জানিবৰ বাবে পাঠকৰ অন্তৰত উৎকণ্ঠাৰ সৃষ্টি হয়।কোনো এটা কাহিনী বা ঘটনা পৰিণতিৰ ফালে আগুৱাই নিবলৈ হ'লে তাক দ্বন্দ্বৰ মাজেৰেহে নিব লাগিব।দ্বন্দ্ব অবিহনে কাহিনীৰ বিকাশ হ'ব নোৱাৰে।দ্বন্দ্ব দুবিধ -অন্তৰ্দ্বন্দ্ব আৰু বহিৰ্দ্বন্দ্ব ।কোনো এটি চৰিত্ৰৰ অন্তৰত কৰ্তব্য -অকৰ্তব্য ,কৰণীয় -অকৰণীয়ৰ মাজত যি সংঘাতৰ সৃষ্টি হয় তাকে অন্তৰ্দ্বন্দ্ব বোলা হয় ।কোনো এটা চৰিত্ৰৰ লগত আন এটি চৰিত্ৰৰ যি সংঘাতৰ সৃষ্টি হয় তাকে বহিৰ্দ্বন্দ্ব বোলে।বহিৰ্দ্বন্দ্বতকৈ অন্তৰ্দ্বন্দ্বৰ প্ৰয়োজন চুটিগল্পত সৰ্বাধিক।

#২)বিশ্বাসযোগ্য কাহিনী -মানৱ জীৱনৰ সংঘাতপূৰ্ণ কাহিনী পৰিস্ফুট কৰিবলৈ যি কাহিনী অৱলম্বন কৰা হয় সেই কাহিনী বাস্তৱতাৰ ওপৰত প্ৰতিষ্ঠিত হ'ব লাগিব।অবাস্তৱ আৰু অবিশ্বাস্য কাহিনীয়ে পাঠকৰ অন্তৰ স্পৰ্শ কৰিব নোৱাৰে ।সাময়িক ভাৱে হ'লেও গল্পৰ কাহিনীভাগে পাঠকৰ মনৰ সন্দেহ আৰু অবিশ্বাস্য ভাব আঁতৰাই ৰাখিব নোৱাৰিলে ৰস সৃষ্টি সম্ভৱ নহয়,অথচ অলৌকিক আৰু অতিপ্ৰাকৃত ঘটনাৰ সহায়তো গল্প ৰচিত হ'ব পাৰে আৰু হৈছেও।কোনো গল্পৰ মাজত অতিপ্ৰাকৃত ঘটনাৰ বিৱৰণ থাকিলে সেই ঘটনা স্বাভাৱিক ৰূপতে আহি পৰিব লাগে।গল্পকাৰে কৌশলৰ দ্বাৰা পটভূমি দক্ষতাৰে আঁতৰাই বিশেষ পৰিস্থিতিৰ মাজত পাঠকৰ অবিশ্বাস সাময়িকভাৱে হ'লেও আঁতৰাই ৰাখিব পাৰে।অকল পৰিস্থিতি বা

পটভূমিৰ সহায়েৰে অবিশ্বাস্য ঘটনাক বিশ্বাসযোগ্য কৰি তোলা সকলো সময়তে সম্ভৱপৰ নহ'ব পাৰে।কিন্তু লেখকৰ কথনভংগী আৰু ঘটনা সংযোগৰ কৌশলৰ দ্বাৰা পাঠকৰ মনৰ অবিশ্বাস সাময়িকভাৱে হ'লেও আঁতৰাই ৰখা সম্ভৱ।

#৩)গল্পৰ পটভূমি -গল্পৰ কাহিনীভাগৰ বিকাশৰ বাবে গল্পৰ পটভূমিৰ বৰ্ণনাও অপৰিহাৰ্য্য ।এনে কিছুমান গল্প আছে য'ত গল্পৰ মূল তত্ত্ব বা উদ্দেশ্যৰো ইঙ্গিত পটভূমিৰ বৰ্ণনাৰ ওপৰতে থাকে ।সেই অংশত প্ৰধান চৰিত্ৰৰ প্ৰবেশ হয়তো নঘটিব পাৰে।এনে পটভূমিৰ বৰ্ণনা নীৰস যেন লাগিলেও পটভূমি স্পষ্টকৈ বৰ্ণনা কৰাত লেখকৰ একোটা উদ্দেশ্য থাকে ।গল্পটো সম্পূৰ্ন পঢ়িলেহে উদ্দেশ্যটো স্পষ্ট হয়।অৱশ্যে দীঘলীয়া পটভূমিৰ বৰ্ণনা চুটিগল্পৰ আঙ্গিকৰ ফালৰ পৰা অনাৱশ্যকীয়।

#৪)গল্পৰ চৰিত্ৰ -কেইটিমান চৰিত্ৰৰ কাৰ্য্যকলাপৰ জৰিয়তে চুটিকল্পৰ কাহিনীভাগে বিকাশ লাভ কৰে ।এই চৰিত্ৰবোৰেই চুটিগল্পৰ ঘাই উপজীব্য।এই চৰিত্ৰবোৰ বাস্তৱ জীৱনত লগ পোৱা বিভিন্ন ধৰণৰ আদৰ্শ আৰু ৰুচিসম্পন্ন লোকৰ প্ৰতিনিধিস্বৰূপ।এইবোৰ জীৱনৰ ভুল -ক্ৰটিৰ মাজতে ডাঙৰ - দীঘল হোৱা আৰু গল্পকাৰৰ জীৱন-জিজ্ঞাসাৰ মাজেদি উপস্থাপিত হোৱা ব্যক্তি চৰিত্ৰ ।চৰিত্ৰবোৰ বিশ্বাসযোগ্য কৰিব খুজিলে গল্পৰ সংঘাতো বিশ্বাসযোগ্য কৰি তুলিব লাগিব ।গল্পকাৰৰ নিজৰ পৰ্যবেক্ষণ শক্তিৰ ওপৰতে সাৰ্থক চৰিত্ৰ সৃষ্টি নিৰ্ভৰ কৰে।

#৫)কেন্দ্ৰীয় চৰিত্ৰ -চুটিগল্পত একোটা কেন্দ্ৰীয় চৰিত্ৰ থাকে ।কেন্দ্ৰীয় চৰিত্ৰটোৰ জীৱনৰ কোনো এক মুহূৰ্তৰ ওপৰত পোহৰ পেলাই চৰিত্ৰটো উজ্জ্বল কৰিবলৈ যত্ন কৰা হয়।কেন্দ্ৰীয় চৰিত্ৰ উজ্জ্বল হৈ উঠাৰ লগে লগে আনবোৰ অপ্ৰধান চৰিত্ৰও উজ্জ্বল হৈ উঠে।প্ৰধান চৰিত্ৰটো ভালদৰে বুজিবলৈ যিমানখিনি বৰ্ণনাৰ আৱশ্যক সেই সকলোখিনি বৰ্ণনা লেখকে দিব নোৱাৰে।ঘাই চৰিত্ৰৰ বিভিন্ন কাৰ্যকলাপ আৰু জীৱনৰ প্ৰতি থকা দৃষ্টিভংগীৰ পৰা পাঠকে এই চৰিত্ৰটো বুজি ল'ব পাৰে।

#৬)গল্পৰ তত্ত্ব - জীৱনত লাভ কৰা কিছুমান অভিজ্ঞতাই আমাৰ অন্তৰত গভীৰভাৱে ৰেখাপাত কৰে আৰু সিবোৰৰ প্ৰভাৱ গোটেই জীৱনতে ৰৈ যায় ।জীৱনৰ বাটত সন্মুখীন হোৱা দুখ -বেদনা ,হাঁহি -কান্দোন ,ঈৰ্ষা-অসূয়া আদিৰ পৰা আমাৰ জীৱনত কিছুমান অৰ্থপূৰ্ণ আৰু স্মৰণীয় মুহূৰ্তৰ সৃষ্টি হয় আৰু তেনে অভিজ্ঞতাৰ পৰাই আমি জীৱন আৰু জগতৰ তত্ত্ব অনুভৱ কৰিব পাৰোঁ।এই উপলব্ধি যুক্তিৰ সহায়ত অনুমান প্ৰমাণৰ দ্বাৰা লাভ কৰা জ্ঞান নহয়,কিন্তু এই জ্ঞান প্ৰত্যক্ষ আৰু অনুভৱসিদ্ধ ।এনেধৰণৰ তত্ত্বই চুটিগল্পত প্ৰতিফলিত হ'ব পাৰে।কিন্তু প্ৰায়ভাগ গল্পতে জীৱনৰ আদৰ্শৰ ছাপ স্পষ্ট।

#৭)চুটিগল্পৰ ৰচনা কৌশল -চুটিগল্পত গল্পকাৰে বিভিন্ন ধৰণৰ কৌশল অৱলম্বন কৰে ।কেতিয়াবা নাটকীয় ভংগীৰে গল্পৰ সূচনা হয়,তেতিয়া আকৌ তেনে নাটকীয় ভংগীৰেই কাহিনী শেষ কৰা হয় ।কেতিয়াবা সৰল ভাষাৰ সহায়ত বৰ্ণনাত্মক ৰীতি প্ৰয়োগ কৰা হয়।কোনো গল্পত বৰ্ণনাত্মক আৰু নাটকীয় উভয় ৰীতিয়েই পৰিদৃষ্ট হয়।

ৰচনাশৈলী বিশিষ্ট ধৰণৰ নহ'লে চুটিগল্পত অভিপ্ৰেত ফল লাভ কৰা নাযায়।নীৰস বৰ্ণনা গল্পত সদায় পৰিহাৰ কৰিব লাগে ।দুৰ্বল আৰম্ভণি আৰু দুৰ্বল পৰিণতি দুয়োটাই বৰ্জন কৰা উচিত।চুটিগল্পত বাহুল্যৰ স্থান নাই।চুটিগল্পৰ ভাষা হ'ব লাগে সংযত আৰু অৰ্থব্যঞ্জক।অপ্ৰয়োজনীয় বৰ্ণনা সদায় পৰিহাৰ কৰি চলিব লাগে।চুটিগল্পৰ ভাব আৰু কৌশল -এই দুয়োটাৰ ওপৰতে লেখকে গুৰুত্ব দিব লাগে ।কাৰণ কথাবস্তু আৰু কথা কোৱাৰ কৌশলৰ অপূৰ্ব মিলনতে শ্ৰেষ্ঠ গল্পৰ সৃষ্টি হয়।

####গল্পকাৰৰ নিজৰ বা চৰিত্ৰৰ দৃষ্টিভংগী প্ৰকাশৰ বাট চাৰিটা -

১)গল্পৰ ঘটনাৰ বাহিৰত থাকি গল্প লেখকে সকলো ঘটনাৰ বিৱৰণ দাঙি ধৰিব পাৰে আৰু আৱশ্যক মতে নিজ দুই -চাৰি মন্তব্যও তুলি ধৰিব পাৰে।

২)গল্পৰ মাজত থকা ঘাই চৰিত্ৰ দৃষ্টিভংগীৰ ফালৰ পৰা গল্পলেখকে সকলো ঘটনা সংযোগ কৰিব পাৰে ।

৩)গল্পৰ মাজত থকা কোনো এটি তলতীয়া চৰিত্ৰৰ দৃষ্টিভংগীৰ মাজেদি গল্প ৰচিত হ'ব পাৰে ।এনে ৰীতিত লেখকৰ নিজৰ মন্তব্য সংযোগ কৰাৰ স্থল থাকে আৰু

৪)গল্পৰ ঘটনাসমষ্টিৰ বাহিৰত থাকি লেখকে ঘটনা প্ৰৱাহ স্বাভাৱিক গতিত হৈ যাবলৈ এৰি দিব পাৰে।

চুটিগল্পত ৰসানুভূতি এক প্ৰধান বৈশিষ্ট্য।পাঠকৰ গল্প পঢ়াৰ উদ্দেশ্য পঢ়ি আনন্দ লাভ কৰা।জীৱনৰ তত্ত্ব উপলব্ধি পাঠকৰ গৌণ উদ্দেশ্যহে ।গতিকে গল্পলেখকে ৰসৰঞ্জিত কৰি চুটিগল্প ৰচনা কৰিবলৈ যত্ন কৰা উচিত।

